# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-01-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN
::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পৰহিলৈ দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। সেইদিনা বিয়লি প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত প্ৰায় ১০ হাজাৰ শিল্পীয়ে পৰিৱেশন কৰিবলগীয়া বাগৰুম্বা নৃত্য উপভোগ কৰিব। এই অনুষ্ঠানৰ বাবে যাৱতীয় প্ৰস্তুতি চলি আছে। বিভিন্ন ঠাইৰ পৰা ইতিমধ্যে এই নৃত্য পৰিৱেশন কৰিবলগীয়া শিল্পীসকল গুৱাহাটীত আহি উপস্থিত হৈছে। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই আজি বাগৰুম্বা নৃত্যৰ আখৰা পৰিদৰ্শন কৰে। অসমৰ চহকী ঐতিহ্য বড়োসকলৰ বাগৰুম্বা নৃত্যৰ বিশ্বজুৰি প্ৰসাৰৰ অৰ্থে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে এখন সংবাদমেলত প্ৰকাশ কৰে।

**বাইট (বিমল বৰা)**

বাগৰুম্বা দ'হৌ অনুষ্ঠানৰ পৰিপ্ৰেক্ষিতত বিটিচিত নতুনকৈ নিযুক্তি লাভ কৰা শিক্ষকসকলৰ ১৭ জানুৱাৰীত হ'বলগীয়া নথি পৰীক্ষাৰ দিন পিছুৱাই দিয়া হৈছে।

প্ৰধানমন্ত্ৰী মোদীয়ে অহা ১৮ জানুৱাৰীত কলিয়াবৰৰ মৌচন্দা পথাৰত এখন ৰাজহুৱা সভাত অংশ ল'ব আৰু এই সভাতে কলিয়াবৰৰ পৰা বোকাখাতলৈ ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কাজিৰঙা এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। মন্ত্ৰী পীযূষ হাজৰিকা, কেশৱ মহন্ত, সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙে আজি প্ৰধানমন্ত্ৰীয়ে অংশ ল'বলগীয়া জনসভাস্থলী পৰিদৰ্শন কৰি কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়।

প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণৰ সময়তে ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌৰ গোমটিলৈ আৰু গুৱাহাটীৰ পৰা নতুন দিল্লীৰ ৰাউটালৈ চলিবলগীয়া দুখন ৰে'লগাড়ীৰ যাত্ৰাৰো শুভাৰম্ভ কৰিব।

০০০০০০০

অহা ২৬ জানুৱাৰীত নতুন দিল্লীৰ কৰ্তব্যপথত হ'বলগীয়া ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ কুচকাৱাজত ভাগ ল'বলগীয়া অসমৰ প্ৰতীকপটযোগে ধুবুৰী জিলাৰ আশাৰীকান্দি গাঁৱৰ পোৰা মাটিৰ শিল্প প্ৰদৰ্শন কৰা হ'ব। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা মতে আত্মনিৰ্ভৰ ভাৰত বিষয়বস্তুৰে সাজি উলিওৱা এই প্ৰতীকপটৰ জৰিয়তে আশাৰীকান্দি শিল্পীসকলৰ দৈনন্দিন জীৱন, তেওঁলোকৰ আহিলাপাতি কেঁচা সামগ্ৰী আৰু উৎপাদিত সামগ্ৰীৰ লগতে ৰাজ্যৰ গ্ৰামাঞ্চলৰ সৈতে জড়িত সাংস্কৃতিক উপাদানসমূহ প্ৰদৰ্শন কৰা হ'ব। এই প্ৰতীকপটৰ বাবে আনুমানিক ৪৫ৰ পৰা ৫০ লাখ টকা ধাৰ্য কৰা হৈছে। উল্লেখযোগ্য যে ধুবুৰীৰ দেৱীতোলা উন্নয়ন খণ্ডৰ অন্তৰ্গত আশাৰীকান্দি নামৰ সৰু গাঁওখন মৃৎ শিল্পৰ বাবে বিখ্যাত।

০০০০০০০

মাজুলীৰ লোহিত নদীৰ পাৰৰ ডেকাচাঙত প্ৰতিবছৰৰ দৰে এইবাৰো 'মনগীত' মহোৎসৱ অনুষ্ঠিত হৈছে। ৰাউল কৌশিক নাথ ফাউণ্ডেচনৰ উদ্যোগত যোৱা ১০ জানুৱাৰীৰ পৰা অনুষ্ঠিত এই মহোৎসৱত বিভিন্ন ধৰণৰ মনোগ্ৰাহী অনুষ্ঠিত হৈছে। আমাৰ মাজুলীৰ সংবাদদাতাই জনোৱা মতে বিশিষ্ট অভিনেতা আদিল হুছেইন, সংগীত শিল্পী জয় বৰুৱাকে ধৰি কেইবাগৰাকী ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ শিল্পীয়ে যুৱক-যুৱতীসকলক সাংস্কৃতিক ক্ষেত্ৰত আগবঢ়াই নিয়াৰ প্ৰয়াস কৰে।

০০০০০০০

পহিলা মাঘ উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত কমলাবাৰী বাথৌ মন্দিৰত দুদিনীয়া কাৰ্যসূচীৰ বাথৌ মহোৎসৱ অনুষ্ঠিত হৈছে। মহোৎসৱৰ প্ৰথম দিনা বুঢ়া বাথৌক আৰাধনাৰ বাবে পুৱাৰে পৰা আৰজ বন্দনা কাৰ্যসূচী অনুষ্ঠিত হয়। সকলোৰে মঙ্গল কামনা কৰি অনুষ্ঠিত কৰা আৰজ বন্দনা প্ৰতিটো বাথৌ মন্দিৰতে বড়ো সম্প্ৰদায়ৰ বাথৌ ধৰ্মাৱলম্বী লোকসকলে আৰাধনা কৰি আহিছে। কাইলৈ এই মহোৎসৱৰ সামৰণি পৰিব।

০০০০০০০

চৰাইদেউ জিলাত নিৰাপত্তা বাহিনীয়ে চলোৱা এটা যুটীয়া অভিযানত আজি নিষিদ্ধ ঘোষিত সংগঠন আলফা স্বাধীনৰ এজন সক্ৰিয়া সদস্যই চৰাইদেউ আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰে। আত্মসমৰ্পণ কৰা সদস্যজন তিনিচুকীয়া জিলাৰ পেঙেৰী থানাৰ অন্তৰ্গত নলনি গাঁৱৰ অমৰজ্যোতি মৰাণ বুলি জানিব পৰা গৈছে। চৰাইদেউ আৰক্ষীৰ নেতৃত্বত আৰু নাগালেণ্ডৰ মন জিলাৰ আৰক্ষী, ২৩ অসম ৰাইফলছ চি আৰ পি এফৰ কুইক এক্সন টীম আৰু সেনাৰ চোৰাংচোৱা বিভাগৰ সহযোগত এই অভিযান চলোৱা হয়।

০০০০০০০

যোৰহাট জিলাৰ ঢেকীয়াখোৱা বৰ নামঘৰত সদৌ অসম ভিত্তিত আজিৰে পৰা পাঁচ দিনীয়া কাৰ্যসূচীৰে ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। এই প্ৰতিযোগিতাত অসমৰ বিভিন্ন প্ৰান্তৰ ১০ খন ভাওনা অনুষ্ঠিত হ'ব। অহা ১৯ জানুৱাৰীত সামৰণি পৰিবলগীয়া এই প্ৰতিযোগিতাৰ আজি প্ৰথমখন ভাওনা **মৎস্য বিজয়** গোলাঘাট জিলাৰ বৰখেৰীয়াৰ অনন্ত বিজয় শিল্পী সমাজে প্ৰদৰ্শন কৰিছে।

০০০০০০০

যোৰহাট নগৰৰ সমীপৰ গড়মূৰ পূজাদুবিত অৱস্থিত পি ডব্লিউ ডি কাৰ্যালয়ৰ এটা আলমিৰাৰ পৰা আজি দুটা অজগৰ উদ্ধাৰ কৰা হয়। সৰ্পবন্ধু পাৰ্থসাৰথি হাজৰিকাই উদ্ধাৰ কৰা অজগৰ দুটাৰ এটা ২০ কেজি ওজনৰ আৰু ১২ ফুট দীঘল আছিল। আনটোৰ ওজন চাৰে আঠ কেজি আৰু ১০ ফুট দীঘল। অজগ দুটাক বন বিভাগক গতাই দিয়াৰ পাছত বিভাগে দুয়োটা অজগৰকে গিবন অভায়ৰণ্যত মেলি দিয়া।

০০০০০০০

**ঃঃ সমাপ্ত ঃঃ**